# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 20-03-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

**::::::::::::::::::**

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব।

২। নিৰ্বাচন আয়োগে পোষ্টেল বেলটযোগে ভোটদানৰ সুবিধা লাভ কৰা ভোটদাতাৰ শ্ৰেণী সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ষ্টাৰ্টআপ মহাকুম্ভক সম্বোধন কৰিব।

৪। দেশত চলিত বিত্তীয় বৰ্ষত প্ৰত্যক্ষ কৰ সংগ্ৰহ ১৮ দশমিক ৭-৪ শতাংশ বৃদ্ধি পাইছে।

**আৰু**

৫। ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু ত্ৰিষা জলীৰ যুটিটো ছুইজাৰলেণ্ডৰ বেছেলত অনুষ্ঠিত ছুইচ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮ খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫খনকৈ, মণিপুৰ, মেঘালয় আৰু অৰুণাচল প্ৰদেশত দুখনকৈ, ছত্তিশগড়, মিজোৰাম, নগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীত এখনকৈ আসনৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। চলিত মাহৰ ২৭ তাৰিখলৈকে মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দেশত সৰ্বমুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব।

অসমৰ নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'ব। দ্বিতীয় পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত তথা তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। ৰাজ্যখনত সংশোধিত চূড়ান্ত ভোটদাতা তালিকা অনুসৰি  ২ কোটি ৪৩ লাখতকৈ অধিক ভোটদাতা আছে। ইয়াৰে ১ কোটি ২১ লাখ ৭৯ হাজাৰতকৈ অধিক পুৰুষ আৰু ১ কোটি ২১ লাখতকৈ অধিক মহিলা ভোটদাতা। তদুপৰি ৪১৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। একেদৰে ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰতকৈ

অধিক নতুন ভোটদাতা আৰু ২ লাখ ৭২ হাজাৰতকৈ অধিক অশীতিপৰ ভোটদাতা থকা বুলি নিৰ্বাচন আয়োগৰ সূত্ৰত প্ৰকাশ পাইছে।

নিৰ্বাচন আয়োগ দেশৰ এই সৰ্ববৃহৎ সাধাৰণ নিৰ্বাচন সূচাৰুৰূপে তথা নিৰাপদভাৱে অনুষ্ঠিত কৰাৰ বাবে বদ্ধপৰিকৰ। আয়োগে নিৰ্বাচনৰ সময়ছোৱাত দেখা দিব পৰা বিভিন্নধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে যথাযথ পৰিকল্পনা গ্ৰহণ কৰিছে। ধনবল, বাহুবলৰ লগতে ভুৱা তথ্য প্ৰচাৰ আৰু হিংসা তথা নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ দৰে ঘটনা এনে সময়ত ঘটিব পাৰে বুলি নিৰ্বাচন আয়োগে আশংকা প্ৰকাশ কৰিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত হ'ব পৰা যিকোনো পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে পৰ্যাপ্ত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ব্যৱস্থা কৰা হৈছে। জিলাসমূহত সমন্বিত নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থাও কৰা হৈছে।

ooooo

নিৰ্বাচন আয়োগে সংবাদ কৰ্মীসকলক পোষ্টেল বেলটযোগে ভোটদান কৰাৰ অনুমতি প্ৰদান কৰিছে। আয়োগে কালি এখন অধিসূচনাযোগে এই অনুমতি প্ৰদান কৰে। পূৰ্বতে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত লোকসকলে পোষ্টেল বেলটযোগে ভোটদান কৰিব পাৰিছিল। এতিয়াৰে পৰা সংবাদ কৰ্মীসকলেও এই সুবিধা লাভ কৰিব। আয়োগে ইয়াৰ বাবে এগৰাকী নডেল বিষয়াক দায়িত্ব প্ৰদানৰ ব্যৱস্থা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ষ্টাৰ্টআপ মহাকুম্ভক সম্বোধন কৰিব। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, এই মহাকুম্ভ বিশ্বৰ ষ্টাৰ্টআপ, উদ্ভাৱন খণ্ড আৰু নতুন উদ্যমীসকলক একেখন মঞ্চলৈ আনিব। ভাৰতে যোৱা কেইটামান বছৰত ষ্টাৰ্টআপ ক্ষেত্ৰত অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। সোমবাৰে আৰম্ভ হোৱা এই তিনিদিনীয়া মহাকুম্ভত কৃত্ৰিম বুদ্ধিমত্তা, বি টু বি, কৃষি প্ৰযুক্তি, দীপটেক, ক্লাইমেট টেক, গেমিং, ই-স্পৰ্টছ্, ফিনটেক, ইনকিউবেটৰ আৰু এক্সেলেটৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

ooooo

দেশত চলিত বিত্তীয় বৰ্ষত প্ৰত্যক্ষ কৰ সংগ্ৰহ ১৮ দশমিক ৭-৪ শতাংশ বৃদ্ধি পাইছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে চলিত বিত্তীয় বৰ্ষত এতিয়ালৈকে ২২ লাখ ২৭ হাজাৰ কোটিৰো অধিক টকা প্ৰত্যক্ষ কৰ সংগৃহীত হৈছে। ২০২২-২৩ বিত্তীয় বৰ্ষত একেই সময়ছোৱাত ১৮ লাখ ৭৫ হাজাৰ কোটিৰো অধিক টকা কৰ সংগৃহীত হৈছিল। সংগৃহীত কৰৰ ভিতৰত নিগম কৰ, ব্যক্তিগত আয় কৰ আৰু প্ৰতিভূতি লেনদেন কৰ আছে।

বিত্ত মন্ত্ৰালয়ে কৈছে যে, ২০২৩-২৪ বিত্তীয় বৰ্ষত ৩ লাখ ৩৬ হাজাৰ ৮০৮ কোটি টকাৰ ৰিফাণ্ড জাৰি কৰা হৈছে। এই পৰিমাণ যোৱাবছৰৰ একেই সময়ছোৱাত জাৰি কৰা ৰিফাণ্ডতকৈ ১২ দশমিক ৭-৪ শতাংশ অধিক।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুক আৰু দেশখনৰ চতুৰ্থ ৰজা জিগমে ছিংগ্যে ৱাংচুকক সাক্ষাৎ কৰিব। তেওঁ লগতে দেশখনৰ প্ৰধানমন্ত্ৰী চেৰিং টʼবগেৰ সৈতে আলোচনাত মিলিত হʼব। বিদেশ মন্ত্ৰালয়ে কৈছে যে, এই যাত্ৰা ভাৰত আৰু ভূটানৰ মাজৰ উচ্চ পৰ্যায়ৰ বিনিময়ৰ পৰম্পৰা আৰু চৰকাৰৰ চুবুৰীয়া প্ৰথম নীতিৰ অনুৰূপ। মন্ত্ৰালয়ে কৈছে যে, উমৈহতীয়া ঐতিহ্য আৰু জনসাধাৰণৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কই ভাৰত আৰু ভূটানৰ মাজৰ সম্পৰ্কক অনন্য কৰি তুলিছে। এই ভ্ৰমণে দুয়ো পক্ষক দ্বিপাক্ষিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক বিষয়সমূহক লৈ মত বিনিময়ৰ আৰু দুয়ো দেশৰ জনসাধাৰণৰ উপকাৰৰ অৰ্থে এই নিদৰ্শনমূলক সহযোগিতাৰ সম্প্ৰসাৰণৰ উপায় সম্পৰ্কে আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব।

ooooo

পশ্চিম ত্ৰিপুৰা লোকসভা সমষ্টিৰ বাবে হʼবলগীয়া নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হʼব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ। ২৮ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হʼব। মনোনয়ন প্ৰত্যাহাৰ কৰাৰ অন্তিম দিন ৩০ মাৰ্চ। এই লোকসভা আসনৰ বাবে অহা ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হʼব। আগৰতলাত কালি এখন সংবাদমেলক সম্বোধি মুখ্য নিৰ্বাচনী বিষয়া পুনীত আগৰৱালাই ধৰ্ম আৰু জাতি সন্দৰ্ভত কোনো বক্তব্য নিদিবলৈ আহ্বান কৰিছে।

তেওঁ লগতে শাসনাধিষ্ঠ দলক চৰকাৰী তন্ত্ৰৰ অপব্যৱহাৰ নকৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে এইবাৰ নিৰ্বাচনত ২৪ লাখ ৫৬ হাজাৰ ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। তেওঁ কয় যে পশ্চিম ত্ৰিপুৰা লোকসভাত ১৪ লাখ আৰু উত্তৰ ত্ৰিপুৰা লোকসভা সমষ্টিত ১৩ লাখ ৯৫ হাজাৰ ভোটাৰ আছে। উত্তৰ ত্ৰিপুৰা লোকসভা সমষ্টিত দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হʼব। ৮৫ বছৰৰ ঊৰ্ধবৰ ব্যক্তি আৰু দিব্যাংগসকলৰ বাবে ঘৰৰ পৰাই ভোট দিন পৰা ব্যৱস্থা কৰা হৈছে। বিষয়াগৰাকীয়ে জনোৱা মতে ৰাজ্যখনত ৩ হাজাৰ ৩৪৯টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰে পূব ত্ৰিপুৰাত ১ হাজাৰ ৬৬৪টা আৰু পশ্চিম ত্ৰিপুৰাত ১ হাজাৰ ৬৮৫টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

তেওঁ কয় যে, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৭০টা কোম্পানী আৰু বি এছ এফ-ৰ জোৱান ইতিমধ্যে ত্ৰিপুৰাত উপস্থিত হৈছে। তেওঁ লগতে কয় যে, প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ সময় চমু চাপি অহাৰ লগে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ আৰু অধিক জোৱান ত্ৰিপুৰাত উপস্থিত হʼব।

ooooo

ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু ত্ৰিষা জলীৰ যুটিটো ছুইজাৰলেণ্ডৰ বেছেলত অনুষ্ঠিত ছুইচ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। গায়ত্ৰী আৰু ত্ৰিষাৰ যুটিটোৱে কালি প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেৰি জু আৰু এনি জুক ২১-১৫, ২১-১২ গেমত পৰাস্ত কৰে।

ভাৰতৰ আন দুগৰাকী খেলুৱৈ হৰিহৰণ অমৃছকৰুণাকৰণ আৰু ৰুবন কুমাৰৰ যুটিটোৱেও কালি পুৰুষৰ ডাবলছৰ কোৱালিফায়িং ৰাউণ্ডত ফ্ৰান্সৰ নাটান বেগগা আৰু বেপ্টিষ্ট লবাৰ্থেৰ যুটিটোক ২১-১৭, ২১-১৫ গেমত পৰাস্ত কৰে। একেদৰে এন চিক্কি ৰেড্ডী আৰু বি সুমিত ৰেড্ডীৰ ভাৰতৰ যুটিটোৱে মিক্সড ডাবলছৰ কোৱালিফায়িং ৰাউণ্ডত ব্ৰাজিলৰ ছেমিয়া লীমা আৰু ডেৰি ছিল্‌ভাক ২১-১২, ২১-১৭ গেমত পৰাস্ত কৰে। ইয়াৰ

পূৰ্বে পুৰুষৰ ছিংগলছৰ কোৱালিফায়িং ৰাউণ্ডত সতীশ কুমাৰ কৰুণাকৰণে এল ছালভাদ'ৰৰ উৰিয়েল কেঞ্জুৰাক ২১-১৮, ২১-১২ গেমত পৰাজিত কৰাৰ বিপৰীতে সমীৰ বাৰ্মাই ব্ৰাজিলৰ ক'এল্‌হো ডি অলিৰেৰাক ২১-১১, ২১-১০, ২১-১৪ গেমত পৰাভূত কৰে। প্ৰতিযোগিতাত আজি লক্ষ্য সেন, কিদাম্বী শ্ৰীকান্ত, পি ভি সিন্ধু, কিৰণ জৰ্জ, প্ৰিয়াংশু ৰাজাৱাটসহ কেইবাগৰাকীয়ো খেলুৱৈয়ে এই বি ডব্লিউ এফ ছুপাৰ থ্ৰী হাণ্ড্ৰেড প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব।

০০০০০

সমাপ্ত